# অসম আদিত্য

আহিন, ১৯৪৫ শক ■ বৃহস্পতিবাৰ, ২৮ ছেপ্টেম্বৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Thursday, September 28, 2023 ■ Price Rs. 7 ■ ডিব্ৰু... আৰু গুৱাহা...


## ডিব্ৰুগড়ত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সংকল্প যুৱ প্ৰজন্মৰ




ডিব্ৰুগড়, ২৭ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত সমগ্ৰ দেশত চলি থকা 'পৰিষ্কাৰ-পৰিচ্ছন্নতাই সেৱা' অভিযানৰ অংশ হিচাপে আজি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই ডিএইচএছকানৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰি এক বিশেষ অনুষ্ঠান আয়োজন কৰে। অনুষ্ঠানটোৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কত সজাগতা বৃদ্ধি কৰাৰ লগতে তেওঁলোকক নিজ নিজ অঞ্চলৰ পথ প্ৰদৰ্শক হ'বলৈ অনুপ্ৰাণিত কৰা হয়। দূৰদৰ্শন কেন্দ্ৰ, ডিব্ৰুগড়েও এই পদক্ষেপত সক্ৰিয় সহযোগিতা আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলে স্বচ্ছতাৰ প্ৰতি দায়বদ্ধ হৈ থাকিবলৈ শপত গ্ৰহণ কৰে আৰু ইয়াৰ বাবে সময় উছৰ্গা কৰিবলৈও প্ৰতিশ্ৰুতি দিয়ে। আজি কানৈ মহাবিদ্যালয়ৰ সেউজীয়া বাকৰিত আয়োজিত এই অনুষ্ঠানত ডিব্ৰুগড় পৌৰসভাৰ পৌৰপতি ডাঃ চৈকত পাত্ৰ আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ-প্ৰাধ্যাপক সঞ্জীৱ কাকতিয়ে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি শপত বাক্য পাঠ কৰোৱায়। আকাশবাণী ডিব্ৰুগড় আৰু দূৰদৰ্শন ডিব্ৰুগড় অনুষ্ঠানৰ মুৰব্বী লোহিত ডেকা আৰু ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই 'পৰিষ্কাৰ-পৰিচ্ছন্নতাই সেৱা'ৰ এই বিশেষ কাৰ্যসূচীৰ নেতৃত্ব দিয়ে।

শাখাৰ
সভাৰ
অহা
পেঞ্চন
কৰিবলৈ
সভাখন
ডিব্ৰুগড়
প্ৰসাদে
দিছে
শৰ্মাই।
টোৰ উ
সহ কে
সভালৈ
এক প্ৰে
বিবৃতি
শমাই
সন্থাৰ
উপস্থিত